# ডিজিটেল মিডিয়া নীতি সংহিতা

তথ্য প্ৰযুক্তি (অভ্যন্তৰীণ নীতি-নিৰ্দেশনা আৰু ডিজিটেল মিডিয়া নীতি সংহিতা) বিধি, ২০২১ ৰ অধীনত

## সঘনাই উত্থাপিত প্ৰশ্ন



তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়

## সঘনাই উত্থাপিত প্ৰশ্ন

### অধ্যায় I : প্ৰাথমিক তথ্য

### ১. তথ্য প্ৰযুক্তি (অভ্যন্তৰীণ নীতি-নিৰ্দেশনা আৰু ডিজিটেল মিডিয়া নীতি সংহিতা) বিধি, ২০২১ ৰ তাৎপৰ্য কি?

যোৱা কেইটামান বছৰত ডিজিটেল মিডিয়াৰ বিকাশ সাধন হয়। অনলাইন নিউজ পৰ্টেল, অ'টিটি প্লেটফৰ্ম ইত্যাদিৰ দৰে বহু নতুন পক্ষ ইন্টাৰনেটত উপলব্ধ হৈছে। এই বিধিয়ে উক্ত পক্ষসমূহৰ অৰ্থে আনুষ্ঠানিক ব্যৱস্থা আগবঢ়ায়, নাগৰিক সবলীকৰণ নিশ্চিত কৰে আৰু সম্ভাব্য ক্ষতিকাৰক বিষয়বস্তুৰপৰা শিশুসকলক সুৰক্ষিত কৰে তথা প্ৰেছ আৰু শিল্পীসকলকে ধৰি নাগৰিকৰ বক্তব্য আৰু ভাৱ প্ৰকাশৰ স্বাধীনতাক সমৃদ্ধ কৰি তোলে। এই বিধিয়ে ভাৰতৰ মিডিয়া আৰু মনোৰঞ্জন খণ্ডৰ বহনক্ষম আৰু দীৰ্ঘ্য-ম্যাদী উন্নয়ন নিশ্চিত কৰিব আৰু ডিজিটেল মিডিয়াৰ নিউজ মিডিয়াপাৰ্ছনৰ অৰ্থে স্বীকৃতি আৰু সুযোগ আগবঢ়াব।

### ২. কোনখন আইনৰ অধীনত এই বিধি প্ৰণয়ন কৰা হৈছে? ইয়াক সংসদত উত্থাপন কৰা হ'বনে?

তথ্য প্ৰযুক্তি আইন, ২০০০ হৈছে সংসদত গৃহীত এখনি আইন। এই আইনৰ অধীনতে বিধিখনি যুগুত কৰা হৈছে আৰু ইয়াক সংসদত উত্থাপন কৰা হ'ব।

### ৩. ডিজিটেল নিউজ পাব্লিছাৰ আৰু অ'টিটি প্লেটফৰ্মৰ বাবে কেতিয়াৰেপৰা এই বিধি কাৰ্য্যকৰী হ'ব?

২০২১ ৰ ২৫ ফেব্ৰুৱাৰীৰপৰা এই বিধি কাৰ্য্যকৰী হৈছে।

### ৪. মই কিদৰে সবিশেষ বিধিখন পঢ়িব পাৰিম?

মন্ত্ৰালয়ৰ ৱেবচাইটত https://mib.gov.in/digitalmedia/information-tecnology-inter- mediary-guidelines-and-digital-media-ethics-code-rules-2021 লিংকটোত বিধিখন উপলব্ধ হৈছে


## অধ্যায় II : বিধিখনৰ প্ৰাথমিক পৰিভাষা আৰু সুযোগ

### ৫. তথ্য প্ৰযুক্তি (অভ্যন্তৰীণ নীতি-নিৰ্দেশনা আৰু ডিজিটেল মিডিয়া নীতি সংহিতা) বিধি, ২০২১ ৰ ব্যৱস্থাৰ অধীনত কোনবোৰ পক্ষক সামৰি লোৱা হ'ব?

এই বিধি নিউজ আৰু কাৰেন্ট এফেয়াৰ্ছৰ পাব্লিছাৰ, অনলাইন কিউৰেটেড বিষয়বস্তু (সাধাৰণতে অ'টিটি প্লেটফৰ্ম বুলি কোৱা হয়) ৰ পাব্লিছাৰ আৰু মধ্যস্থতাকাৰী (intermediaries) ৰ ক্ষেত্ৰত  প্ৰযোজ্য হ'ব।

**ডিজিটেল মিডিয়া নীতি সংহিতা**

**মূল বৈশিষ্ট্যৰাজি**




### ৬. এই বিধি ইলেকট্ৰনিক্স ও তথ্য প্ৰযুক্তি মন্ত্ৰালয় বা তথ্য ও সম্প্ৰচাৰ মন্ত্ৰালয়ে তদাৰক কৰিব নেকি?

এই বিধিৰ অধ্যায় ॥, মধ্যস্থতাকাৰীৰে সম্পৰ্কীয় আৰু ইয়াক ইলেকট্ৰনিক্স ও তথ্য প্ৰযুক্তি মন্ত্ৰালয়ৰদ্বাৰা তদাৰক কৰা হ'ব। অধ্যায় ॥। হৈছে ডিজিটেল নিউজ পাব্লিছাৰ আৰু অ'টিটি প্লেটফৰ্মেৰে সম্পৰ্কীয় আৰু তথ্য ও সম্প্ৰচাৰ মন্ত্ৰালয়ৰদ্বাৰা ইয়াক তদাৰক কৰা হ'ব।

## ডিজিটেল মিডিয়া নীতি সংহিতা

# লাভা-লাভ

# আৰু ফলাফল

## নাগৰিক আৰু সমাজৰ অৰ্থে






## ৭. ডিজিটেল মিডিয়াত কোনবোৰ পক্ষ নিউজ আৰু কাৰেন্ট এফেয়াৰ্ছৰ পাব্লিছাৰ?

অনলাইন পেপাৰ, নিউজ পৰ্টেল, নিউজ এগ্ৰিগেটৰ, নিউজ এজেন্সী ইত্যাদি হৈছে নিউজ আৰু কাৰেন্ট এফেয়াৰ্ছ বিষয়বস্তুৰ পাব্লিছাৰ। এনে সমজাতীয় কাৰ্য সমাপন কৰা আন পক্ষসমূহো হৈছে নিউজ আৰু কাৰেন্ট এফেয়াৰ্ছ বিষয়বস্তুৰ পাব্লিছাৰ।

## ৮. অনলাইন কিউৰেটেড বিষয়বস্তুৰ পাব্লিছাৰ কোন?

অনলাইন কিউৰেটেড বিষয়বস্তুৰ পাব্লিছাৰক সাধাৰণতে অ'টিটি প্লেটফৰ্ম বুলি জনা যায়। ইয়াৰ উদাহৰণ যেনেঃ নেটফ্লিক্স, এমাজন প্ৰাইম, জি৫, এএলটি বালাজী ইত্যাদি। এই পাব্লিছাৰসকলে তেওঁলোকৰ প্লেটফৰ্মত বিভিন্ন কাৰ্য্যক্ৰম, ফিল্ম, ৱেব-চিৰিজ ইত্যাদি সম্প্ৰচাৰৰ সিদ্ধান্ত লয় আৰু ইয়াক দৰ্শকৰ বাবে উপলব্ধ কৰি তোলে।

## ৯. 'অনলাইন কিউৰেটেড কনটেণ্ট' মানেনো কি?

'অনলাইন কিউৰেটেড কনটেণ্ট' হ'ল চলচ্চিত্ৰ, 'ৱে'ব ছিৰিজ' আদিৰ দৰে 'অটিটি প্লেটফৰ্ম'ত দৰ্শকৰ চাহিদাৰ ভিত্তিত উপলব্ধ কৰোৱা দৃশ্য-শ্ৰাব্য বিষয়বস্তু।

## ১০. 'ইণ্টাৰনেট'ৰ কোনবোৰ 'কনটেণ্ট'ক চাহিদাৰ ভিত্তিত উপলব্ধ কৰাবলৈ ক'ব পৰা যায়?

কোনো ব্যৱহাৰকাৰী, গ্ৰাহক অথবা দৰ্শকে তেওঁ বিচৰা সময়ত যিবোৰ 'কনটেণ্ট' নিৰ্বাচন আৰু বিচাৰি উলিয়াব পাৰে তেনেবোৰ 'কনটেণ্টক' চাহিদাৰ ভিত্তিত উপলব্ধ কৰাবলৈ ক'ব পৰা যায়।

## ১১. 'ইণ্টাৰনেট'ত শেহতীয়া ঘটনা প্ৰবাহৰ সন্দৰ্ভত নিজৰ অভিমত ব্যক্ত কৰাকে ধৰি বিভিন্ন প্ৰকাৰৰ 'পোষ্ট' দিয়া সাধাৰণ ব্যৱহাৰকাৰীসকলো বাৰু প্ৰকাশক নেকি?

'ইণ্টাৰনেট'ত নিয়মীয়াকৈ 'পোষ্ট' দিলেও সাধাৰণ ব্যৱহাৰকাৰীসকলে যিহেতু পদ্ধতিগত বাণিজ্যিক কাৰ্যপন্থা হিচাপে এই কাম নকৰে সেয়ে তেওঁলোকক প্ৰকাশকৰ সংজ্ঞাৰ আওতালৈ অনা নহয়।

## ১২. প্ৰকাশকসকলৰ 'ৱে'বছাইট'সমূহৰ ক্ষেত্ৰতহে কেৱল এই বিধিসমূহ প্ৰযোজ্য হয় নেকি?

বিষয়বস্তু প্ৰচাৰ কৰাৰ বাবে 'অনলাইন'ৰ যি মাধ্যমেই ব্যৱহাৰ কৰা নহওক কিয় প্ৰকাশকসকলে নিৰ্দ্ধাৰিত বিধি-নিয়ম মানি চলিবই লাগিব।

## অধ্যায় III: বাতৰি আৰু সাময়িকী আদিৰ প্ৰকাশকসকলৰ বাবে নীতি-সংহিতা

### ১৩. 'ডিজিটেল বাতৰি'ৰ প্ৰকাশকসকলৰ বাবে নীতি-সংহিতানো কি?

- 'প্ৰেছ কাউন্সিল অব ইণ্ডিয়া'ই নিৰ্দ্ধাৰণ কৰি দিয়া সাংবাদিকতা সম্পৰ্কীয় আচৰণ বিধিসমূহ https://presscouncil.nic.in/WriteReadData/Pdf/NORMSTWOZEROONEININE.pdf
- 'কেবল টেলিভিশ্বন নেটৱৰ্কছ(ৰেগুলেশ্যন) এক্ট, ১৯৯৫'ৰ ৫নং দফাৰ অন্তৰ্ভুক্ত কাৰ্যক্ৰমণিকা বিধি https://www.mib.gov.in/broadcasting/programme-and-advertising-codes
- সাময়িক ভাবে বলবত্ হোৱা যিকোনো আইনে বাৰণ কৰা বিষয়বস্তুসমূহ প্ৰকাশ কিম্বা সংপ্ৰেৰিত কৰিব নোৱাৰিব।

### ১৪. নীতি-সংহিতাত বাতৰি প্ৰকাশকসকলৰ বাবে কোনো নতুন প্ৰতিবন্ধকতা সংলগ্ন কৰা হৈছে নেকি?

'ডিজিটেল বাতৰি'ৰ প্ৰকাশকসলৰ বাবে যুগুতোৱা নীতি-সংহিতাত স্পষ্ট কৰি দিয়াই হৈছে যে তেওঁলোকে বলবত্ হৈ থকা আইনসমূহ মানি চলিব লাগিব, আন কোনো নতুন আইন অথবা নিয়ন্ত্ৰণ বিধিৰ সংলগ্ন কৰা হোৱা নাই। যি সময়ত কেতবোৰ বাতৰি প্ৰকাশক 'ৱে'বছাইট'-য়ে ছপা আৰু টেলিভিশ্বন বাতৰি মাধ্যমে পালন কৰা আচৰণ বিধি ইতিমধ্যেই মানি চলিছে, তেনে ক্ষেত্ৰত নীতি-সংহিতাই 'ডিজিটেল বাতৰি'ৰ ক্ষেত্ৰত ছপা আৰু টেলিভিশ্বনৰ বাতৰিৰ ক্ষেত্ৰত প্ৰযোজ্য বিধি মানি চলাটোকে নিশ্চিত কৰি 'বাতৰি পৰিৱেশক উদ্যোগ'ৰ মাজত সমন্বয় স্থাপনৰ প্ৰয়াস কৰিব।

# লাভ আৰু পৰিণতি

## ডিজিটেল বাতৰি প্ৰকাশক



**বহনক্ষম বিকাশ**
স্বচ্ছতাৰে মানসম্পন্ন সাংবাদিকতা

**সম বিচৰণ ক্ষেত্ৰ**
অনলাইন আৰু অফলাইন বাতৰিৰ বাবে সম-বিধি




**প্ৰেছৰ স্বাধীনতা**
চৰকাৰৰ পৰা হস্ত-দৈৰ্ঘ্য

**ভুৱা বাতৰি নিয়ন্ত্ৰণ**
ডিজিটেল মাধ্যমত ভুৱা বাতৰিৰ পয়োভৰ কমোৱা

### অধ্যায় IV: 'অনলাইন কিউৰেটেড কনটেণ্ট' (অটিটি প্লেটফৰ্ম)ৰ প্ৰকাশকসকলৰ বাবে নীতি-সংহিতা

### ১৫. 'অটিটি প্লেটফৰ্ম'ৰ বাবে নীতি-সংহিতানো কি?

'অটিটি প্লেটফৰ্ম'ৰ বাবে নীতি-সংহিতাত নিম্নোল্লিখিত উপাদানসমূহ অন্তৰ্ভুক্ত কৰা হয়:

- বাৰণ কৰিবলগীয়া বিষয়বস্তু তথা বিশেষ পৰিস্থিতিত প্লেটফৰ্মসমূহে পালন কৰাৰ প্ৰয়োজনীয়তা থকা বিষয়বস্তু সম্পৰ্কীয় সাধাৰণ বিধি আৰু সকীয়নি
- বিভিন্ন বয়সসীমা ভিত্তিত শ্ৰেণীভূক্ত বিষয়বস্তুৰ শ্ৰেণী বিভাজন তথা মূল্যায়ণ
- বিষয়বস্তুৰ শ্ৰেণীবিভাজন তথা বিষয়বস্তুৰ বৰ্ণনা কৰোতা
- বয়স—বিশেষ বিষয়বস্তুৰ ক্ষেত্ৰত শিশুসকলৰ প্ৰৱেশ বাৰণ কৰিব পৰা অৱৰোধন, অভিভাৱকীয় ৰোধক আৰু নিশ্চিতকৰণ কৌশলৰ প্ৰদৰ্শনৰ ব্যৱস্থা কৰা
- প্ৰতিবন্ধীসকলৰ ক্ষেত্ৰত বিষয়বস্তুৰ প্ৰৱেশ মসৃণ কৰিব পৰাকৈ উন্নত ব্যৱস্থা কৰা

## ১৬. নীতি-সংহিতাৰ অংশ হিচাপে 'অটিটি প্লেটফৰ্ম'সমূহে পালন কৰিবলগীয়া সাধাৰণ বিধি-নিয়মসমূহ কি কি?

নীতি -সংহিতাৰ অংশ হিচাপে 'অটিটি প্লেটফৰ্ম'সমূহে মানি চলিবলগীয়া বিধি-নিয়মসমূহ হ'ল:

- কোনো আইন অথবা যথা-যোগ্য ক্ষমতাসীন আদালতে বাৰণ কৰা কোনো বিষয়বস্তু প্ৰকাশ নকৰা।
- ভাৰতৰ সাৰ্বভৌমত্ব আৰু অখণ্ডতাক প্ৰভাৱিত কৰিব পৰা; ৰাষ্ট্ৰৰ নিৰাপত্তাৰ প্ৰতি ভাবুকি, বিপদ অথবা বিঘ্নিত কৰিব পৰা; ভাৰতৰ বন্ধুভাৱাপন্ন দেশৰ সৈতে থকা সম্পৰ্কক বিঘ্নিত কৰিব পৰা অথবা সমাজৰ শৃংখলা বিঘ্নিত কৰিব পৰা, হিংসাত্মক কাৰ্যকলাপক উচটনী দিব পৰা বিষয়বস্তু তথা ইয়াৰ পৰিণতিৰ কথা বিবেচনা কৰি প্ৰকাশ তথা প্ৰদৰ্শনৰ ক্ষেত্ৰত যথোচিত সতৰ্কতা অৱলম্বন কৰা।
- যিকোনো ধৰ্মীয় গোটৰ কৰ্ম-কাণ্ড, বিশ্বাস, অনুশীলন অথবা দৃষ্টিভংগী আদিৰ প্ৰকাশ তথা প্ৰদৰ্শন কৰিবলৈ যাওতে ভাৰতৰ বহু-বৰ্ণ, বহু-ধৰ্মীয় প্ৰেক্ষাপটটোক বিবেচনা কৰি যথোচিত সতৰ্কতা অৱলম্বন কৰা।

## ১৭. 'অনলাইন কিউৰেটেড কনটেণ্ট'ৰ সৈতে প্ৰদৰ্শন কৰিবলগীয়া অন্যান্য বিষয়বস্তু সম্পৰ্কীয় উপাদানসমূহ কি কি?

প্ৰতিটো বিষয়বস্তু অথবা কাৰ্যক্ৰম, 'ৱে'ব-ছিৰিজ' ইত্যাদিৰ বাবে থকা বিভিন্ন বয়সভিত্তিক বিষয়বস্তুৰ মূল্যমান আৰু বিষয়বস্তু-বৰ্ণনা কৰোতা সন্দৰ্ভত 'অটিটি প্লেটফৰ্ম'সমূহে তথ্য প্ৰদৰ্শন কৰিব লাগিব। যদি প্ৰযোজ্য হয়, কাৰ্যক্ৰমৰ আৰম্ভনিতে প্ৰকাশকসকলেও দৰ্শকসকলৰ প্ৰতি আগবঢ়োৱা পৰামৰ্শ-বিধি প্ৰদৰ্শন কৰা উচিত।

## ১৮. পাঁচটা-পৰ্যায়ৰ বয়স ভিত্তিক শ্ৰেণীবিভাজন নিৰ্ণায়ক ব্যৱহাৰৰ ভিত্তি কি? উপভোক্তাক ই কিদৰে সহায় কৰিব?

আন্তঃৰাষ্ট্ৰীয় পন্থাৰ ওপৰত ভিত্তি কৰি বয়স-ভিত্তিক শ্ৰেণীবিভাজন নিৰ্ণায়কৰ লক্ষ্য হৈছে সম্ভাব্য স্পৰ্শকাতৰ বা ক্ষতিকাৰক বিষয়বস্তুৰপৰা শিশুক সুৰক্ষিতকৰণ। শিশুসকলৰ মনস্তত্ত্ব গঠন আৰু উন্নয়নত শিক্ষা আৰু মিডিয়াই এটা গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰাৰ পৰিপ্ৰেক্ষিতত, পাঁচটা বয়স-ভিত্তিক পৰ্যায়ে পিতৃ-মাতৃসকলক তেওঁলোকৰ সন্তানক উপভোগ কৰিবলৈ দিব পৰা বিষয়বস্তু সন্দৰ্ভত সূচিত সিদ্ধান্ত গ্ৰহণত সহায় কৰিব।

## ১৯. অনলাইন কিউৰেটেড বিষয়বস্তুক শ্ৰেণীবিভাজিত কৰা ভিন্ন বয়স-ভিত্তিক পৰ্যায়সমূহ কি কি?

অনলাইন কিউৰেটেড বিষয়বস্তুক নিম্ন উল্লেখিত বয়স-ভিত্তিক ৰেটিং পৰ্যায়ত শ্ৰেণীবিভাজিত কৰিব পাৰিঃ

| ক্ৰঃ নং | বিষয়বস্তুৰ প্ৰকৃতি (কাৰ বাবে উপযোগী) | শ্ৰেণীবিভাজন |
|---|---|---|
| ১ | বয়স নিৰ্বিশেষে বাধাহীন প্ৰবেশ আৰু পৰিয়ালৰ বাবে অনুকূল | ইউ |
| ২ | ৭ বছৰ বয়স আৰু তাৰ উৰ্ধসকলৰ বাবে আৰু ৭ বছৰ বয়সৰ অনূৰ্ধসকলে পিতৃ-মাতৃৰ সৈতে চাব পাৰিব | ইউ/এ ৭+ |
| ৩ | ১৩ বছৰ বয়স আৰু তাৰ উৰ্ধসকলৰ বাবে আৰু ১৩ বছৰ বয়সৰ অনূৰ্ধসকলে পিতৃ-মাতৃৰ সৈতে চাব পাৰিব | ইউ/এ ১৩+ |
| ৪ | ১৬ বছৰ বয়স আৰু তাৰ উৰ্ধসকলৰ বাবে আৰু ১৬ বছৰ বয়সৰ অনূৰ্ধসকলে পিতৃ-মাতৃৰ সৈতে চাব পাৰিব | ইউ/এ ১৬+ |
| ৫ | যি প্ৰাপ্তবয়স্কৰ বাবে সীমাবদ্ধ | এ |

## ২০. অ'টিটি প্লেটফৰ্মসমূহৰ বাবে চেন্সৰশ্বীপৰ প্ৰয়োজনীয়তা আছে নে?

এই বিধিত চেন্সৰশ্বীপৰ ব্যৱস্থা ৰখা হোৱা নাই। অ'টিটি প্লেটফৰ্মসমূহে আগবঢ়োৱা বিষয়বস্তু তেওঁলোকে নিজেই শ্ৰেণীবিভাজন কৰিব লাগিব।

## ২১. বিষয়বস্তুৰ শ্ৰেণীবিভাজনৰ অৰ্থে কোনবোৰ কাৰকৰ কথা বিবেচনা কৰিব লাগিব?

বিষয়বস্তু শ্ৰেণীবিভাজনৰ ভিত্তি হৈছে i) বিষয় আৰু বাৰ্তা (Themes and messages); ii) হিংসা (Violence); iii) নগ্নতা (Nudity); iv) যৌনতা (Sex); v) ভাষা (Language); vi) মাদকদ্ৰব্য আৰু মাদকদ্ৰব্য সেৱন (Drug and substance abuse); আৰু (vii) আতংক (Horror)। এইসমূহ বিধিখনৰ অনসূচীত উল্লেখ কৰা হৈছে।

## ২২. কাৰ্য্যক্ৰমৰ বিষয়বস্তু বৰ্ণনাকাৰী (content descriptor) ত কি-কি উল্লেখ কৰা উচিত?

বিষয়বস্তু বৰ্ণনাকাৰীয়ে এখন ফিল্ম, ৱেব-চিৰিজ ইত্যাদিৰ ভিন্ন দৃষ্টিকোণ উল্লেখ কৰা উচিত। এই দৃষ্টিকোণসমূহ হ'ব পাৰে অবৈধ বা ক্ষতিকাৰক উপাদান, অনুকৰণীয় আচৰণ (imitable behaviour), নগ্নতা, ভাষা, যৌনতা, হিংসা, ভয়, ভাবুকি, আতংক ইত্যাদিৰ চিত্ৰণেৰে সম্পৰ্কীয়।

## ২৩. শিশুৱে সম্ভাব্য স্পৰ্শকাতৰ বিষয়বস্তু প্ৰত্যক্ষ নকৰাটো কিদৰে নিশ্চিত কৰা যাব?

'ইউ/এ ১৩+' বা উচ্চ ৰেটযুক্ত বিষয়বস্তুৰ অৰ্থে, অ'টিটি প্লেটফৰ্মে 'পেৰেন্টেল লক' ৰ দৰে প্ৰবেশ নিয়ন্ত্ৰণ ব্যৱস্থা সুসংগত কৰিব। 'এ' ৰেটযুক্ত বিষয়বস্তুৰ অৰ্থে, ই এনে বিষয়বস্তুৰ ভিউৱাৰশ্বীপৰ বাবে নিৰ্ভৰযোগ্য বয়স সত্যাপন ব্যৱস্থা সুসংগত কৰিব।

## ২৪. এই বিধিয়ে ভাৰতৰ অ'টিটি উদ্যোগটোৰ বিকাশত কিদৰে উদ্দীপনা যোগাব?

এই বিধিয়ে ডিজিটেল মিডিয়া বাতাবৰণটোৰ বিকাশ সাধন কৰিব। এটা সুস্থিৰ আনুষ্ঠানিক ব্যৱস্থাই বিনিয়োগ লাভ, নিয়োগ সৃষ্টিত সহায় কৰিব আৰু

বিশেষকৈ অ'টিটি খণ্ডটোৰ আৰু সাধাৰণভাৱে চেম্পিয়ন অ'ডিঅ'-ভিজুৱেল সেৱা খণ্ডটোৰ বিকাশ সাধন কৰিব।

## ২৫. এই প্ৰস্তাৱিত নীতি সংহিতাই কিদৰে কলাত্মক স্বতন্ত্ৰতা আৰু সৃষ্টিশীলতাক উদ্দীপনা যোগাব?

কলাত্মক স্বতন্ত্ৰতা আৰু বক্তব্য আৰু ভাৱ প্ৰকাশৰ স্বাধীনতাক লৈ চৰকাৰখন অংগীকাৰবদ্ধ। এই বিধিয়ে কেন্দ্ৰীয় চলচ্চিত্ৰ অনুমোদন পৰিষদ অবিহনেই অ'টিটি প্লেটফৰ্মসমূহৰদ্বাৰা বিষয়বস্তুৰ স্ব-শ্ৰেণীবিভাজনৰ সুবিধা আগবঢ়াইছে। এই সংক্ৰান্তত, অনুমোদনৰ অৰ্থে বিস্তৃত নীতি-নিৰ্দেশনা উক্ত বিধিত সংলগ্ন কৰা হৈছে। সেয়েহে, এই বিধিয়ে কলাত্মক সৃষ্টিশীলতাৰ প্ৰকাশ আৰু মনোৰঞ্জন খণ্ডটোৰ মানসম্পন্ন বিষয়বস্তুৰ উন্নয়নৰ অৰ্থে সুযোগ সৃষ্টি কৰিব।

## ২৬. অ'টিটি প্লেটফৰ্মসমূহৰ অৰ্থে এই বিধিয়ে উপভোক্তাৰ পছন্দত কিদৰে উদ্দীপনা যোগাব?

এই বিধিয়ে দৰ্শক আৰু উপভোক্তাক সবল কৰিব। এই বিধিত অ'টিটি প্লেটফৰ্মসমূহৰদ্বাৰা ৰেটিঙৰ প্ৰদৰ্শনসহ স্ব-শ্ৰেণীবিভাজন আৰু বিষয়বস্তুৰ বৰ্ণনাকাৰীৰ প্ৰস্তাৱ জনোৱা হৈছে। এই ফ্ৰেমৱৰ্কে দৰ্শকসকলক তেওঁলোকে চাবলৈ পছন্দ কৰা বিষয়বস্তু সন্দৰ্ভত সূচিত সিদ্ধান্ত গ্ৰহণত সহায় কৰিব। নিৰ্দিষ্ট বিষয়বস্তুৰ অৰ্থে প্ৰবেশ নিয়ন্ত্ৰণ আৰু বয়স সত্যাপন ব্যৱস্থাই তদুপৰি পিতৃ-মাতৃক সম্ভাৱ্য ক্ষতিকাৰক বিষয়বস্তুৰপৰা সন্তানক সুৰক্ষিতকৰণত সহায় কৰিব।

## অধ্যায় V: অভিযোগ নিষ্পত্তি প্ৰণালী

### ২৭. ডিজিটেল মাধ্যমত সমল সম্পৰ্কীয় ৰাজহুৱা অভিযোগ নিয়ন্ত্ৰণৰ বাবে তিনিটা স্তৰৰ প্ৰতিষ্ঠানগত প্ৰণালী কি?

ৰাজহুৱা অভিযোগবোৰ সময়সীমাৰ ভিতৰত পৰিৱৰ্তন কৰা হ'ব। নিয়মবোৰে এই উদ্দেশ্যৰ বাবে তিনি-স্তৰৰ গাঁথনি স্থাপন কৰে:-
স্তৰ I- প্ৰকাশকৰ দ্বাৰা স্ব-নিয়ন্ত্ৰণ
স্তৰ II- প্ৰকাশকসকলৰ স্ব-নিয়ন্ত্ৰক সংস্থাৰ দ্বাৰা স্ব-নিয়ন্ত্ৰণ
স্তৰ III- কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা পৰ্যৱেক্ষণ প্ৰণালী।

### ২৮. স্ব-নিয়ন্ত্ৰক প্ৰণালীত প্ৰকাশকসকলে কি স্বাধীনতা প্ৰয়োগ কৰে? চৰকাৰে প্ৰণালীটো নিয়ন্ত্ৰণ কৰে নেকি?

প্ৰতিষ্ঠানগত প্ৰণালীয়ে স্ব-নিয়ন্ত্ৰণৰ দুটা স্তৰ স্থাপন কৰে- স্তৰ I প্ৰকাশক আৰু দ্বিতীয় স্তৰ হৈছে স্ব-নিয়ন্ত্ৰণকাৰী সংস্থা। স্ব-নিয়ন্ত্ৰণকাৰী সংস্থাটো প্ৰকাশকসকলে নিজে গঠন কৰা এক উদ্যোগ সংস্থা হ'ব। উচ্চতম ন্যায়ালয়/উচ্চ ন্যায়ালয়ৰ এজন অৱসৰপ্ৰাপ্ত ন্যায়াধীশ বা উদ্যোগ সম্পৰ্কীয় ক্ষেত্ৰৰ এজন বিশিষ্ট ব্যক্তিৰ অধ্যক্ষ হিচাপে নেতৃত্ব দিয়াৰ বাবে, ই এক প্ৰতিবেদনআৰু উচ্চ মৰ্যাদাৰ সংস্থা হ'ব। প্ৰথম দুটা স্তৰত অমীমাংসিত হোৱা ক্ষেত্ৰত তৃতীয় পৰ্যায়ত অভাৰচাইট মেকানিজমৰ জৰিয়তে চৰকাৰৰ এক নৰম ভূমিকা আছে।

## ২৯. অভিযোগসমূহ নিষ্পত্তিৰ ক্ষেত্ৰত প্ৰকাশক (স্তৰ I) ৰ ভূমিকা কি হ'ব?

সকলো প্ৰকাশকে এক অভিযোগ নিষ্পত্তিৰ এক প্ৰণালী স্থাপন কৰিব লাগে লগতে ভাৰতত সময়-ভিত্তিক পদ্ধতিত অভিযোগসমূহ গ্ৰহণ আৰু নিষ্পত্তিৰ বাবে এগৰাকী অভিযোগ নিবাৰক বিষয়া নিয়োগ কৰিব লাগে৷ প্ৰকাশকৰ দ্বাৰা অভিযোগ নিষ্পত্তি প্ৰণালীৰ বিৱৰণ তেওঁলোকৰ ৱেবচাইট বা ইন্টাৰফেচৰ এক উপযুক্ত স্থানত প্ৰদৰ্শন কৰা হ'ব৷ তাৰোপৰি, সকলো প্ৰকাশকে এক স্ব-নিয়ন্ত্ৰক সংস্থাৰ সদস্য হোৱাটো প্ৰয়োজনীয়৷

## ৩০. এগৰাকী প্ৰকাশকে তেওঁলোকে লাভ কৰা অভিযোগৰ ক্ষেত্ৰত কিমান সময়ৰ ভিতৰত সিদ্ধান্তই লোৱাটো প্ৰয়োজনীয়?

প্ৰকাশকে সিদ্ধান্তটো ১৫ দিনৰ ভিতৰত অভিযোগকাৰীক জনোৱাটো বাঞ্চনীয়৷

## ৩১. কোনো অভিযোগকাৰীয়ে তেওঁলোকে প্ৰদান কৰা অভিযোগৰ ক্ষেত্ৰত প্ৰকাশকে লোৱা সিদ্ধান্তৰ বিৰূদ্ধে আবেদন দাখিল কৰাব পাৰেনে?

হয়, অভিযোগকাৰীয়ে প্ৰকাশকে গ্ৰহণ কৰা সিদ্ধান্তটোৰ বিৰূদ্ধে স্ব-নিয়ন্ত্ৰক সংস্থাৰ ওচৰত আবেদন কৰিব পাৰে যত প্ৰকাশকো এজন সদস্য৷ তেনে এক আবেদন সিদ্ধান্তটো লাভ কৰাৰ ১৫ দিনৰ ভিতৰত কৰিব পাৰে৷

## ৩২. কি হ'ব যদি প্ৰকাশকে ১৫ দিনৰ ভিতৰত প্ৰতিক্ৰিয়া প্ৰদান নকৰে?

যদি প্ৰকাশকে ১৫ দিনৰ ভিতৰত প্ৰতিক্ৰিয়া প্ৰকাশ নকৰে, তেন্তে বিষয়টো পোনচাতে স্ব-নিয়ন্ত্ৰক সংস্থাই গ্ৰহণ পাৰে যত প্ৰকাশকো এজন সদস্য৷

### ৩৩. স্ব-নিয়ন্ত্ৰক সংস্থা কিদৰে গঠন কৰা হয়?

প্ৰকাশকসকল, বা তেওঁলোকৰ সংস্থাসমূহে, আইনৰ বিধি অনুসৰি স্ব-নিয়ন্ত্ৰক সংস্থাসমূহ গঠন কৰিব পাৰে৷

### ৩৪. এক স্ব-নিয়ন্ত্ৰক সংস্থাৰ গঠন কেনে হোৱা উচিত?

স্ব-নিয়ন্ত্ৰক সংস্থাৰ মূৰব্বী উচ্চতম বা উচ্চ ন্যায়ালয়ৰ এগৰাকী অৱসৰপ্ৰাপ্ত ন্যায়াধীশ, বা প্ৰচাৰ মাধ্যম, সম্প্ৰচাৰ, মনোৰঞ্জন, শিশুৰ অধিকাৰ আদি ক্ষেত্ৰৰ এজন স্বাধীন স্বনামধন্য ব্যক্তি হোৱা উচিত৷ ইয়াৰ এইবোৰ ক্ষেত্ৰৰ পৰা সৰ্বোচ্চ অন্য ছয় গৰাকী সদস্য হোৱা উচিত৷

### ৩৫. ভাৰতৰ সকলো প্ৰকাশক বাবে কি কেৱল মাত্ৰ এটা স্ব-নিয়ন্ত্ৰক সংস্থা থাকিব?

ইয়াত একাধিক স্ব-নিয়ন্ত্ৰক সংস্থা থাকিব পাৰে কিন্তু এগৰাকী প্ৰকাশক কেৱল এটা স্ব-নিয়ন্ত্ৰক সংস্থাৰহে সদস্য হোৱা উচিত

### ৩৬. স্ব-নিয়ন্ত্ৰক সংস্থাসমূহৰ কাৰ্য্যসমূহ কি কি?

স্ব-নিয়ন্ত্ৰক সংস্থাসমূহে নিম্ন উল্লেখিত কাৰ্য্যসমূহ পালন কৰা উচিত:
প্ৰকাশকৰ দ্বাৰা নীতি সংহিতাসমূহৰ আনুগত্য নিশ্চিত কৰা; প্ৰকাশকৰ দ্বাৰা ১৫ দিনৰ ভিতৰত নিষ্পত্তি নকৰা অভিযোগসমূহ নিষ্পত্তি কৰা; প্ৰকাশকৰ সিদ্ধান্তৰ বিৰূদ্ধে অভিযোগকাৰীয়ে দাখিল কৰা আবেদনৰ শুনানীসমূহ গ্ৰহণ কৰা;
নীতি সংহিতাৰ প্ৰতি আনুগত্য নিশ্চিত কৰাৰ বাবে এনেধৰণৰ নিৰ্দেশিকা বা পৰামৰ্শসমূহ জাৰি কৰা।

### ৩৭. স্ব-নিয়ন্ত্ৰক সংস্থাসমূহক মন্ত্ৰালয়ৰ দ্বাৰা পঞ্জীভুক্ত কৰা হ'ব নেকি?

স্ব-নিয়ন্ত্ৰক সংস্থাসমূহ বিধিসমূহ অনুসাৰে গঠন কৰা হৈছে আৰু নীতিসমূহত উল্লেখ থকা কাৰ্য্যসমূহ সম্পাদন কৰিবলৈ সন্মতি প্ৰদান কৰিছে বুলি সন্তুষ্ট হোৱাৰ পিছত মন্ত্ৰালয়ৰ দ্বাৰা পঞ্জীয়ন কৰা হ'ব।

## ৩৮. স্ব-নিয়ন্ত্ৰক সংস্থাসমূহে প্ৰকাশকসকলক কি নিৰ্দেশিকা বা পৰামৰ্শ জাৰি কৰিব পাৰে?

প্ৰকাশকক সতৰ্কবাণী, ভৰ্ৎসনা, সকীয়াই বা নিন্দা কৰা; বা
প্ৰকাশকৰ দ্বাৰা এক ক্ষমা প্ৰাৰ্থনাৰ প্ৰয়োজনীয়তা; বা
প্ৰকাশকৰ বাবে এক সতৰ্ক পত্ৰ বা এক অস্বীকাৰমূলক ঘোষণা অন্তৰ্ভূক্তিৰ প্ৰয়োজনীয়তা; বা
অনলাউন কিউৰেট বিষয়বস্তুৰ ক্ষেত্ৰত, প্ৰকাশকক নিৰ্দেশ প্ৰদান কৰে-
প্ৰাসংগিক বিষয়বস্তুৰ ৰেটিংসমূহ পুনৰ শ্ৰেণীবিভাজন; বা
বিষয়বস্তু বিৱৰণকাৰী, বয়স শ্ৰেণীবিভাজনৰ আৰু অভিগমন নিয়ন্ত্ৰণৰ পৰিমাপসমূহৰ সঠিক পৰিৱৰ্তন; বা
প্ৰাসংগিক বিষয়বস্তুৰ সামান্য অৱলোকন;

## ৩৯. স্ব-নিয়ন্ত্ৰক সংস্থাসমূহে গ্ৰহণ কৰা সিদ্ধান্তৰ বিৰুদ্ধে এগৰাকী অভিযোগকাৰীয়ে আবেদন কৰিব পাৰে নে?

হয়, অভিযোগকাৰীয়ে স্ব-নিয়ন্ত্ৰক সংস্থাসমূহে সিদ্ধান্ত লোৱাৰ ১৫ দিনৰ ভিতৰত গ্ৰহণ কৰা তদাৰকী ব্যৱস্থাত সিদ্ধান্তৰ বিৰুদ্ধে আবেদন কৰিব পাৰে।

## ৪০. তিনি খলপীয়া আভিযোগ নিষ্পত্তি ব্যৱস্থাপনাৰ অধীনত তদাৰকী ব্যৱস্থা (স্তৰ III) কি হ'ব লাগে?

তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়, আৰু মন্ত্ৰালয়ৰ দ্বাৰা গঠিত আন্তঃ-বিভাগীয় কমিটিৰে তদাৰকী ব্যৱস্থা গঠন কৰা হয়।

## ৪১. আন্তঃ-বিভাগীয় কমিটিৰ গঠন কেনে দৰে হ'ব লাগে?

আন্তঃ-বিভাগীয় কমিটি মন্ত্ৰালয়ৰ দ্বাৰা মনোনীত কৰ্তৃত্বশীল বিষয়া সভাপতিত্বত গঠন হ'ব লাগে। ইয়াত আন মন্ত্ৰালয়সমূহৰ আৰু সংস্থাসমূহৰ যেনে গৃহ মন্ত্ৰালয়, বিদুতিক তথা তথ্য প্ৰযুক্তি মন্ত্ৰালয়, ইত্যাদি আৰু ড'মেইন বিশেষজ্ঞসকলৰ প্ৰতিনিধি অন্তৰ্ভূক্ত থাকিব লাগে।

## ৪২. আন্তঃ-বিভাগীয় কমিটিৰ ভূমিকা কি হ'ব?

আন্তঃ-বিভাগীয় কমিটিয়ে স্তৰ ॥/। ৰ পৰা উদ্ভৱ হোৱা বা মন্ত্ৰালয়ে উল্লেখ কৰা অভিযোগৰ শুনানী গ্ৰহণ কৰিব আৰু মন্ত্ৰালয়ক পৰামৰ্শসমূহ আগবঢ়াব।

## ৪৩. প্ৰকাশকসকলক কমিটিৰ সন্মূখত বক্তব্য ৰখা তথা তেওঁলোকৰ প্ৰত্যুত্তৰ প্ৰদান আৰু স্পষ্টীকৰণৰ সুযোগ প্ৰদান কৰা হ'ব নে?

কমিটিলৈ প্ৰেৰণ কৰা বিষয়সমূহৰ বাবে, প্ৰকাশকসকলক তেওঁলোকৰ বক্তব্য ৰখাৰ বাবে তথা তেওঁলোকৰ প্ৰত্যুত্তৰ আৰু স্পষ্টীকৰণ জমা দিবলৈ সুযোগ প্ৰদান কৰা হ'ব।

## ৪৪. অভিযোগ/আবেদন অৱশেষত কিদৰে মীমাংসা হ'ব?

কমিটিখনে নিম্ন উল্লেখিত পৰামৰ্শসমূহ মন্ত্ৰালয়লৈ আগবঢ়াইছেঃ
তেনেধৰণৰ সত্তাসমূহক সতৰ্কবাণী, ভৰ্ৎসনা, সকীয়াই বা নিন্দা কৰা; বা
তেনেধৰণৰ সত্তাসমূহৰ পৰা এক ক্ষমা প্ৰাৰ্থনাৰ প্ৰয়োজনীয়তা; বা
তেনেধৰণৰ সত্তাসমূহৰ বাবে এক সতৰ্ক পত্ৰ বা এক অস্বীকাৰমূলক ঘোষণা অন্তৰ্ভূক্তিৰ প্ৰয়োজনীয়তা; বা

অনলাইনযোগে উত্থাপন কৰা কণ্টেণ্টৰ ক্ষেত্ৰত, পোনপটীয়াকৈ এজন প্ৰকাশকলৈ-

প্ৰাসংগিক কণ্টেণ্টৰ মূল্যায়ন পুনৰ শ্ৰেণীবদ্ধ কৰিবলৈ; বা
প্ৰাসংগিক কণ্টেণ্টৰ সাৰবস্তু সম্পাদনা কৰিবলৈ; বা
কণ্টেণ্ট বৃত্তান্তকাৰী, বয়স শ্ৰেণীবদ্ধ কৰণ আৰু অভিভাৱক সম্বন্ধীয় বা অতিৰিক্ত নিয়ন্ত্ৰণত উপযুক্ত সংশোধন কৰা;

ৰাজহুৱা শৃংখলাৰ সৈতে জড়িত একোটা বিচাৰযোগ্য অপৰাধ সংঘটিত কৰাৰ উচতনিক বাধা দিবৰ বাবে কণ্টেণ্ট আঁতৰ কৰা বা সংশোধন কৰা;

এনে কণ্টেণ্টৰ ক্ষেত্ৰত য'ত সমিতিয়ে ভাবে যে আইনখনৰ অনুচ্ছেদ 69Aৰ উপ-অনুচ্ছেদ (1)ত বৰ্ণিত কাৰণৰ সৈতে সংগতি ৰাখি ব্যৱস্থা লোৱাৰ প্ৰয়োজনীয়তা আছে, তেতিয়া ই তেনে পদক্ষেপৰ পৰামৰ্শ দিব পাৰে।

## ৪৫. অভিযোগ/আবেদন কেনেকৈ চূড়ান্তভাৱে নিষ্পত্তি কৰা হ'ব?

আন্তঃ-বিভাগীয় সমিতিৰ পৰামৰ্শাৱলী মন্ত্ৰালয়ে বিবেচনা কৰিব, আৰু প্ৰকাশকৰ দ্বাৰা সন্মতিৰ বাবে উপযুক্ত আদেশ/নিৰ্দেশনা জাৰি কৰিব।

## ৪৬. চৰকাৰৰ দ্বাৰা কণ্টেণ্ট ব্লকিং বা অৱৰোধ কৰাটো এটা নতুন ব্যৱস্থা নেকি?

কণ্টেণ্ট ব্লক বা অৱৰোধ কৰাটো নতুন ব্যৱস্থা নহয়। আইটি এক্টৰ অনুচ্ছেদ 69Aৰ অধীনত ই আছে আৰু যোৱা এঘাৰ বছৰৰ বাবে, 2009ৰ পৰা, এই ব্যৱস্থা সচিব, নিৰ্বাচন মন্ত্ৰালয় আৰু আইটিয়ে Information Technology (Procedure and Safeguards for Blocking for Access of Information by Public) Rules, 2009ৰ অধীনত কাৰ্যকৰী কৰিছে। Information Technology (Intermediary Guidelines and Digital Media Ethics

Code) Rulesৰ অধীনত, এই ব্যৱস্থা কেৱল সচিব, তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ ক্ষেত্ৰত স্থানান্তৰিত কৰা হৈছে কিয়নো এই বিধিৰ Part III তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ দ্বাৰা কাৰ্যকৰী কৰা হ'ব।

## ৪৭. কণ্টেণ্ট অবৰোধৰ ক্ষেত্ৰত ৰক্ষাকবচ কি কি?

মহামান্য উচ্চতম ন্যায়ালয়ে শ্ৰেয়া সিংহল ৰায়ত কৈছিল যে অনুচ্ছেদ 69Aৰ অধীনত অবৰোধ কৰাটো কাৰ্যকৰী কৰাৰ পূৰ্বে যথেষ্ট পদ্ধতিগত ৰক্ষাকবচ আছিল। এই ৰক্ষাকবচবিলাক নতুন বিধিবিলাকত পুনৰাৰোপিত হৈছে। এই ৰক্ষাকবচবিলাকৰ ভিতৰত আছেঃ

- কেৱল কিছুমান বিশেষ ভিত্তিতহে অবৰোধ বা ব্লকিং কৰিবং পাৰিব যিবিলাক সংবিধানৰ দফা 19(2)ত উল্লেখিত মুক্ত বক্তব্যৰ ওপৰত যুক্তিসংগত বাধানিষেধ হয়। এইবিলাকৰ ভিতৰত আছে ভাৰতৰ সাৰ্বভৌমত্ব আৰু সংহতি, ৰাষ্ট্ৰৰ নিৰাপত্তা, বিদেশী ৰাষ্ট্ৰৰ সৈতে বন্ধুত্বপূৰ্ণ সম্পৰ্ক, ইত্যাদি।

- কণ্টেণ্ট অবৰোধ কৰাৰ বাবে পৰামৰ্শ এখন সমিতিৰ পৰা অহা দৰকাৰ য'ত মহিলা আৰু শিশু বিকাশ মন্ত্ৰালয়, আইন আৰু ন্যায় মন্ত্ৰালয়, প্ৰতিৰক্ষা মন্ত্ৰালয়, বহিঃ পৰিক্ৰমা মন্ত্ৰালয়, ইত্যাদিৰ পৰা প্ৰতিনিধি থাকিব।

- এনে তথ্য অবৰোধ কৰা বা বাধা দিয়াৰ প্ৰয়োজন নাই বুলি সমিতিৰ আগত হাজিৰ হ'বলগীয়া আৰু নিজৰ উত্তৰ আৰু স্পষ্টীকৰণ দাঙি ধৰিবলগীয়া সংশ্লিষ্ট প্ৰকাশকক এই বিধিয়ে এটা সুযোগ দিছে। এইটো কেৱল তেতিয়াহে হ'ব যেতিয়া সমিতিয়ে দেখে যে এনে এক প্ৰয়োজনীয়তা আছে য'ত এটা বাধা বা অবৰোধৰ নিৰ্দেশনা দিয়া হৈছে।

- কণ্টেণ্ট বা ভাববস্তুক অৱৰোধ কৰা বা বাধা দিয়াৰ কাৰণ লিখিতভাৱে নথিভুক্ত কৰিব লাগিব।

## অধ্যায় VI: অন্য প্ৰসংগ

### ৪৮. ক'ড অফ এথিকছ আৰু অন্য প্ৰসংগৰ সৈতে জড়িত বিষয়ত মন্ত্ৰালয়ৰ সৈতে প্ৰকাশকে কেনেকৈ যোগাযোগ আৰু সমন্বয় ৰক্ষা কৰিব আৰু বিপৰীতটো?

মন্ত্ৰালয়ক তথ্য দাখিল কৰি প্ৰকাশকে তেওঁলোকৰ কাম-কাজৰ সবিশেষ মন্ত্ৰালয়ক অৱগত কৰিব।

### ৪৯. প্ৰকাশক আৰু মধ্যস্থতাকাৰীসকলে পাব্লিক ডমেইনত কি কি বিষয় দাঙি ধৰিব লাগিব?

প্ৰকাশক আৰু স্ব-নিয়ামক সমিতিসমূহে তেওঁলোকে লাভ কৰা সকলো ওজৰ-আপত্তি, ওজৰ-আপত্তিবিলাক নিষ্পত্তি কৰাৰ ধৰণ, ওজৰ-আপত্তিৰ ক্ষেত্ৰত গ্ৰহণ কৰা কাৰ্যব্যৱস্থা, অভিযোগকাৰীলৈ প্ৰেৰণ কৰা উত্তৰ, ইত্যাদি মাহেকীয়া ভিত্তিত সদৰী কৰিব।

## অধ্যায় VII: মন্ত্ৰালয়ত যোগাযোগৰ পাত্ৰ

### ৫০. যিকোনো সন্দেহ বা স্পষ্টীকৰণৰ ক্ষেত্ৰত, তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ কাৰ সৈতে যোগাযোগ কৰিব পাৰি?

যিকোনো সন্দেহ বা স্পষ্টীকৰণৰ ক্ষেত্ৰত নিম্নোল্লিখিত বিষয়াসকলৰ সৈতে ইমেইলৰ জৰিয়তে যোগাযোগ কৰিব পাৰেঃ

শ্ৰী অমৰেন্দ্ৰ সিংহ, উপ সচিব (ডিজিটেল মিডিয়া), তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়। ইমেইল এড্ৰেছঃ amarendra.singh@nic.in

শ্ৰী ক্ষিতিজ আগৰৱালা, সহযোগী সঞ্চালক (ডিজিটেল মিডিয়া), তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়। ইমেইল এড্ৰেছঃ kshitij.aggarwal@gov.in

তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ ৱেবছাইটত এই বিধিসম্পৰ্কীয় সকলো তথ্য উপলব্ধঃ https://mib.gov.in/